# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-JUNE-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতত একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে। ২০১৪ চনৰ ২৬ মে'ত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে দায়িত্বভাৰ গ্ৰহণ কৰা শ্ৰীমোদীয়ে আজি এই বিশেষ কৃতিত্ব অৰ্জন কৰিছে। শ্ৰীমোদীয়ে এই কৃতিত্ব অৰ্জনৰ ক্ষেত্ৰত পূৰ্বৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ অভিলেখ ভংগ কৰে। প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৯৫২ চনৰ ১৩ মে'ত নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে দায়িত্বভাৰ গ্ৰহণ কৰিছিল আৰু ১৯৬৪ চনৰ ২৭ মে'ত মৃত্যু পৰ্যন্ত তেওঁ দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। পণ্ডিত নেহৰুৱে একেৰাহে ৪ হাজাৰ ৩৯৮ দিন প্ৰধানমন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰীৰূপে ৪ হাজাৰ ৩৯৯ দিনত ভৰি দিছে।

ইপিনে কেন্দ্ৰত মোদী চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হোৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতত একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হোৱাৰ কৃতিত্ব উদযাপন কৰিবলৈ ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা, এন ডি এই আজি নতুন দিল্লীত এখন বৈঠকৰ আয়োজন কৰিছে।

বৈঠকত বিজেপিৰ শীৰ্ষ নেতৃত্বৰ লগতে মৰ্চাৰ সকলো অংশীদাৰ উপস্থিত থাকিব। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অংশগ্ৰহণ কৰিব। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল সামৰি শাসনৰ দায়িত্বত থকা ২২ খন এন ডি এ চৰকাৰৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলেও এই বৈঠকত অংশগ্ৰহণ কৰিব। বৈঠকত বিভিন্ন ৰাষ্ট্ৰীয় উন্নয়নমূলক কাৰ্যসূচী, আন্তঃগাঁথনিমূলক কাৰ্যসূচী আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰাৰ বিষয়ে মোদী চৰকাৰৰ লক্ষ্যৰ পৰ্যালোচনা কৰা হ'ব।

oooooo

ইউৰোপীয় দেশসমূহত অসমৰ বাবে মুকলি হ'ব এখন নতুন বজাৰ। অসমৰ চাহ, অগৰু, জৈৱিক খাদ্য এতিয়াৰে পৰা ইউৰোপৰ বজাৰত বছৰৰ প্ৰতিমাহে পোৱাটো সহজ হৈ পৰিব। গুৱাহাটীত ইউৰোপীয় সংঘৰ প্ৰতিনিধি আৰু  মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিত কালি 'ব্লু ভেলী ক্লাষ্টাৰ' উদ্যম মুকলি কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে এই মত প্ৰকাশ কৰিছে। ডঃ শৰ্মাই কয় যে কৃষকসকলক বিশেষ গুৰুত্ব আৰোপেৰে গঢ়ি তোলা এই উদ্যমে ৰাজ্যৰ কৃষিজাত আৰু প্ৰাকৃতিক সম্পদক বিশ্ব বজাৰৰ সৈতে সংযোগ কৰাৰ লগতে ইউৰোপীয় অংশীদাৰসকলৰ সৈতে শক্তিশালী মূল্য শৃংখলা গঢ়ি তুলিব। ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে অসমৰ বাবে বিনিয়োগ, ৰপ্তানি আৰু ঔদ্যোগিক বিকাশৰ নতুন দুৱাৰ মুকলি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে অসম-ইউৰোপীয় সহযোগিতাত নতুন অধ্যায়ৰ সূচনা কৰি সুগন্ধি, আয়ুষ আৰু খাদ্য প্ৰসংস্কৰণ খণ্ডৰ সুদৃঢ়কৰণৰ উদ্দেশ্যে ইউৰোপীয় সংঘৰ সহযোগিতাত কালি 'ব্লু ভেলী ক্লাষ্টাৰ' উদ্যম মুকলি কৰে। এই উদ্যমৰ অংশ হিচাপে অসম ঔদ্যোগিক উন্নয়ন নিগম আৰু ভাৰতত ইউৰোপীয় ব্যৱসায় সংঘৰ মাজত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়।

০০০০০০

প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযানৰ সফল ৰূপায়ণৰ দহ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে কালি দেশজুৰি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

**নগাঁও** জিলাত কালি এই উপলক্ষে ১৬৬ টা স্বাস্থ্য কেন্দ্ৰ, আয়ুস্মান আৰোগ্য মন্দিৰ, সামুহিক স্বাস্থ্যকেন্দ্ৰ, এফ আৰ ইউ, মহকুমা অসামৰিক চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু নগাঁও চিকিৎসা মহাবিদ্যালয়ত দ্বিতীয় আৰু তৃতীয় ত্ৰৈমাসিকৰ সন্তানসম্ভৱা মহিলাসকলৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। তদুপৰি প্ৰসূতিসকলক পুষ্টিকৰ খাদ্য প্ৰদানৰো ব্যৱস্থা কৰা হয়। জিলাখনত ৩ হাজাৰ ৫৯৬ গৰাকী প্ৰসূতিৰ কালি স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

**ওদালগুৰি** জিলাতো কালি এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ওদালগুৰি অসামৰিক চিকিৎসালয়, বৌতা, মহলীয়াপাৰা, ভেৰগাঁও, ডিমাকুচি, হৰিশিঙা আদৰ্শ চিকিৎসালয়, ওৰাং, টংলা, খৈৰাবাৰী আৰু ওদালগুৰি সামুহিক স্বাস্থ্য কেন্দ্ৰৰ লগতে আয়ুস্মান আৰোগ্য মন্দিৰসমূহতো স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। জিলাখনত কমেও দুহেজাৰ ২৯৩ গৰাকী সন্তানসম্ভৱা মহিলাক কালি স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

শোণিতপুৰ জিলাৰ বিভিন্ন স্বাস্থ্যকেন্দ্ৰ আৰু আন কেইবাটাও স্থানত এই কাৰ্যসূচীৰ অংশ হিচাপে সন্তান সম্ভৱাসকলৰ বিশেষ প্ৰসৱপূৰ্ব যতন তথা সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। স্বাস্থ্য বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত জিলাখনৰ বহু গৰ্ভৱতী মহিলাই অংশ লৈ এই সেৱাৰ সুবিধা গ্ৰহণ কৰে। স্বাস্থ্য শিবিৰসমূহত বিশেষজ্ঞ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলে মহিলাসকলৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে পৰিপুষ্টি সম্পৰ্কীয় পৰামৰ্শ আগবঢ়ায়। তদুপৰি গৰ্ভাৱস্থাত ল'বলগীয়া সাৱধানতা আৰু গৰ্ভস্থ শিশুটিৰ সুৰক্ষাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কতো অৱগত কৰোৱা হয়।

গোলাঘাট জিলাতো আজি এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে স্বাস্থ্য বিভাগে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ অধীনত সন্তান সম্ভৱাসকলৰ স্বাস্থ্য পৰীক্ষা শিবিৰ মুকলি কৰা হয়। জিলাখনৰ ২০ টা প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযান কেন্দ্ৰৰ লগতে আয়ুষ্মান আৰোগ্য মন্দিৰ, সামুহিক স্বাস্থ্য কেন্দ্ৰ, মহকুমা অসামৰিক চিকিৎসালয় আদিত স্বাস্থ্য শিবিৰ মুকলি কৰা হয়। এই শিবিৰ সমূহত ৪ হাজাৰৰো অধিক গৰ্ভৱতী মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। শ্ৰীভূমি জিলাতো আজি এই অভিযানৰ অধীনত স্বাস্থ্য শিবিৰ মুকলি কৰা হয়।

০০০০০০

**সমাপ্ত**